# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 20-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশা আৰু পশ্চিমবংগত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব।

২। প্ৰধানমন্ত্ৰীয়ে কালি বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত দুহেজাৰ ৪০০ কোটি টকাৰ উদগণিমূলক ধনৰাশি মুকলি কৰে।

৩। ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰসমূহে সীমান্তৰ সিপাৰৰ পৰা হোৱা সন্ত্ৰাসবাদকে ধৰি সকলো প্ৰকাৰৰ সন্ত্ৰাসবাদৰ তীব্ৰ বিৰোধিতা কৰিছে।

৪। ভাৰতীয় প্ৰশাসনিক সেৱাৰ জ্যেষ্ঠ বিষয়া বিবেক আগৰৱালা ২০২৬-২৭ বৰ্ষৰ FATFৰ পৰৱৰ্তী উপ-সভাপতি হিচাপে নিৰ্বাচিত হৈছে। ***আৰু***

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত হেইটীৰ বিৰুদ্ধে এখন খেলত ব্ৰাজিলে ৩-০ গ'লৰ ব্যৱধানত আগবাঢ়ি আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ওড়িশা আৰু পশ্চিমবংগ ভ্ৰমণলৈ যাব। প্ৰধানমন্ত্ৰীয়ে ওড়িশাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ সৈতে ময়ূৰভঞ্জ জিলাৰ পাহাৰপুৰ গাঁৱৰ চান্থালী জাহেৰা আৰু হো জাহিৰা পৱিত্ৰ বনত সেৱা আগবঢ়াব। ইয়াৰ পাছত তেওঁলোকে জিলাখনৰ ৰায়ৰাংপুৰত ওড়িশা চৰকাৰৰ দুবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশ ল'ব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিয়ে ৪৭ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মোদী দুদিনীয়া ভ্ৰমণসূচীৰে পশ্চিমবংগলৈ যাব। শ্ৰীমোদীয়ে আজি হুগলী জিলাৰ তাৰকেশ্বৰত পশ্চিমবংগ দিৱস উদযাপনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ পশ্চিমবংগত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে আজি প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২৩ সংখ্যক কিস্তিও মুকলি কৰিব। ইয়াৰ অধীনত দেশৰ ৯ কোটি ৪৪ লাখৰো অধিক কৃষকৰ বেংক একাউণ্টলৈ ১৮ হাজাৰ ৮৮০ কোটি টকাৰো অধিক ধন প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হ'ব।

তেওঁ লগতে ৰাজ্যখনত কেইবাটাও গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় কৃষি আঁচনি মুকলি কৰিব। এই আঁচনিসমূহৰ ভিতৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, প্ৰাকৃতিক কৃষিৰ ৰাষ্ট্ৰীয় অভিযান আৰু প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনা অন্যতম।

প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ কলকাতাত আয়োজন কৰা দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত অংশ ল'ব। ইয়াৰ পাছত তেওঁ কলকাতাৰ শ্যামা প্ৰসাদ মুখাৰ্জী বন্দৰত আই এন এছ দুনাগিৰি, আই এন এছ শংখোধাক আৰু আই এন এছ এগ্ৰে নামৰ তিনিখন থলুৱাভাৱে নিৰ্মিত নৌজাহাজ মুকলি কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এটা অনুষ্ঠানত প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত দুহেজাৰ ৪০০ কোটি টকাৰ উদগণিমূলক ধনৰাশি মুকলি কৰে। প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনা ৰূপায়ণৰ ক্ষেত্ৰত মুকলি কৰি দিয়া এই ধনৰাশি গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। ইয়াৰ জৰিয়তে দেশত ১৫ লাখ নিয়োগৰ সুযোগ সৃষ্টি কৰা হৈছে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰতে যুৱ শক্তিক সন্মুখৰ পৰা নেতৃত্ব দিবলৈ সাজু হৈছে। তেওঁ কয়, যে ভাৰতৰ যুৱ শক্তিয়ে অনাগত দিনত গোলকীয় বিকাশ, উদ্ভাৱন আৰু উদ্যমিতাক সন্মুখৰ পৰা নেতৃত্ব দিব।

**বাইট (পি এম)- YOUTH**

প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে বিকশিত ভাৰত ৰোজগাৰ যোজনাই প্ৰথমবাৰৰ বাবে নিয়োগ লাভ কৰা সকলক উদগণিমূলক ধন প্ৰদান কৰাৰ লগতে যুৱচাম আৰু উদ্যোগৰ মাজত সেতু গঢ়ি তোলে। ভাৰতৰ যুৱক-যুৱতীসকলৰ আকাংক্ষা, দক্ষতা আৰু অপাৰ সম্ভাৱনাই বিকশিত ভাৰতৰ পথ নিৰ্মাণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয়, যে প্ৰায় ২০ লাখ লোকে ইতিমধ্যে তেওঁলোকৰ নতুন চাকৰিত ছমাহ সম্পূৰ্ণ কৰিছে আৰু ইয়াৰে ১০ লাখ লোকে এই আঁচনিৰ হিতাধিকাৰী হিচাপে ১৫ হাজাৰ টকাকৈ উদগণি লাভ কৰিছে। বৰ্তমানলৈকে এই হিতাধিকাৰীসকলৰ বেংক একাউণ্টলৈ দুহেজাৰ কোটি টকা প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হৈছে বুলি শ্ৰীমোদীয়ে জানিবলৈ দিয়ে।

**বাইট (পি এম)- INCENTIVE**

বিশ্বই ক্ৰমশ ভাৰতৰ যুৱচামৰ সম্ভাৱনাক চিনাক্ত কৰিছে আৰু এই কথা শেহতীয়া ফ্ৰান্স আৰু শ্ল'ভাকিয়া ভ্ৰমণৰ সময়ত অনুভৱ কৰে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰকাশ কৰে।

ooooo

**ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰসমূহে সীমান্তৰ সিপাৰৰ পৰা হোৱা সন্ত্ৰাসবাদকে ধৰি সকলো প্ৰকাৰৰ সন্ত্ৰাসবাদৰ তীব্ৰ বিৰোধিতা কৰে। ভাৰ্চুৱেল মাধ্যমেৰে যোৱা বুধবাৰে বহুৰাষ্ট্ৰীয় অপৰাধ সন্দৰ্ভত অনুষ্ঠিত ত্ৰয়োদশ আছিয়ান-ভাৰতৰ জ্যেষ্ঠ বিষয়াসকলৰ বৈঠকত সন্ত্ৰাসবাদৰ বিৰুদ্ধে এই স্থিতি প্ৰকাশ কৰে। দুয়ো পক্ষই যোৱা বৰ্ষৰ ২২ এপ্ৰিলত পেহেলগামত আৰু ১০ নৱেম্বৰত লালকিল্লাৰ সমীপত হোৱা বৰ্বৰ আক্ৰমনক গৰিহনা দিয়ে। সন্ত্ৰাসবাদ আৰু বহুৰাষ্ট্ৰীয় অপৰাধ মষিমূৰ কৰাৰ উদ্দেশ্যে সৰ্বাত্মক দৃষ্টিভংগীৰে আন্ত:ৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰাৰ বাবে দুয়োপক্ষই বিবৃত্তি প্ৰকাশ কৰা বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰে।**

ooooo

ভাৰতীয় প্ৰশাসনিক সেৱাৰ জ্যেষ্ঠ বিষয়া বিবেক আগৰৱালা ২০২৬-২৭ বৰ্ষৰ বাবে ফাইনেন্সিয়েল এক্সন টাস্ক ফৰ্চ- FATFৰ পৰৱৰ্তী উপ-সভাপতি হিচাপে নিৰ্বাচিত হৈছে। তেওঁ যুক্তৰাজ্যৰ গিলছ থমছনৰ উত্তৰসূৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিব। বৰ্তমান তেওঁ সাংস্কৃতিক মন্ত্ৰালয়ৰ সচিব হিচাপে কৰ্মৰত হৈ আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই নিযুক্তি ভাৰতৰ বাবে বৃহৎ জয় বুলি অভিহিত কৰিছে। মন্ত্ৰালয়ৰ মতে এই নিযুক্তিয়ে সন্ত্ৰাসবাদৰ আৰ্থসাহায্য আৰু অবৈধ বিত্তীয় নেটৱৰ্কৰ বিৰুদ্ধে যুঁজ দিয়াত ভাৰতক সহায় কৰিব। উল্লেখযোগ্য যে ১৭ৰ পৰা ১৯ জুনলৈ অনুষ্ঠিত FATF অধিৱেশনত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ প্ৰতিনিধিয়ে অহা ২২ জুনৰ পৰা ২৫ জুনলৈ  জম্মু, শ্ৰীনগৰ, কাৰ্গিল আৰু লেহলৈ কৰিবলগীয়া যাত্ৰাৰ পৰিপ্ৰেক্ষিতত  বৈদেশিক পৰিক্ৰমা সমিতিয়ে কালি বিস্তৃত আলোচনা অনুষ্ঠিত কৰে।  লোকসভা সচিবালয়ৰ সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ পোৱা মতে বৈঠকত  কমিটীৰ অধ্যক্ষ তথা লোকসভাৰ সাংসদ ড° শশী ঠাৰুৰে অধ্যক্ষতা কৰে। এই আলোচনাত  ভাৰত-চীন সম্পৰ্কৰ বুজাবুজি আৰু আৰু ভাৰত-পাকিস্তান সম্পৰ্কৰ শেহতীয়া অগ্ৰগতিৰ পৰিপ্ৰেক্ষিতত আগুৱাই যোৱাৰ পথ নিৰ্ধাৰণ কৰা হয়।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে ভাৰতে অশান্ত বিশ্বত নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থ, কৌশলগত আত্মনিৰ্ভৰশীলতা আৰু বহুপাক্ষিকতাৰ ক্ষেত্ৰত বিভিন্ন দেশৰ সৈতে সু-সম্পৰ্ক গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিছে। কালি সন্ধিয়া নতুন দিল্লীত অনুষ্ঠিত ভাৰত-আমেৰিকা ফ'ৰাম ২০২৬ত ভাষণ দি ড০ জয়শংকৰে দুয়োখন ৰাষ্ট্ৰই ইয়াৰ সমস্যা আৰু জটিলতাসমূহ চিনাক্ত কৰাৰ সময়তো পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহত  ভাৰত-আমেৰিকাৰ অংশীদাৰিত্ব গভীৰ হোৱাৰ বিষয়ে কয়। তেওঁ লগতে কয় যে ভাৰতৰ উত্থানৰ লগে লগে ইয়াৰ স্বাৰ্থ সম্প্ৰসাৰিত আৰু বৈচিত্ৰ্যময় হ'ব।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি মেঘালয়াৰ ৰিভয় জিলাৰ ভয়ৰিমবঙত উত্তৰ পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ জৈৱিক মচলা প্ৰসংস্কৰণ গোট মুকলি কৰে। এই অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা আৰু চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেমসিং টামাঙো উপস্থিত থাকে। কেন্দ্ৰীয় চৰকাৰৰ উত্তৰ পূৰ্বাঞ্চলৰ বাবে ভেলু চেইন উন্নয়ন অভিযানৰ উদ্যোগত আৰু পূৰ্বোত্তৰ ৰিভয় জৈৱিক কৃষক উৎপাদন কোম্পানী লিমিটেডৰ অধীনত এই প্ৰসংস্কৰণ গোট স্থাপন কৰা হৈছে। প্ৰায় ৩২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা এই প্ৰসংস্কৰণ গোটত বছৰি ১০ হাজাৰ মেট্ৰিটনতকৈ অধিক হালধি, আদা, জালুক, জলকীয়াকে ধৰি বিভিন্ন জৈৱিক মচলাৰ প্ৰসংস্কৰণ কৰা যাব। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় জৈৱিক উৎপাদন কাৰ্যসূচী আৰু ইউৰোপীয় সংঘৰ জৈৱিক মানৰ প্ৰমাণ পত্ৰ থকা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো জৈৱিক মচলা প্ৰসংস্কৰণ কেন্দ্ৰ। এই গোটৰ জৰিয়তে উন্নতমানৰ ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত জৈৱিক মচলাই বিশেষ স্থান লাভ কৰিব।

অনুষ্ঠানত সম্বোধি দিয়া ভাষণত শ্ৰীসীতাৰমণে ২০২৪ চনৰ জি আই টেক লাভ কৰা লাকাডং হালধীকে ধৰি উচ্চমানৰ জৈৱিক উৎপাদনৰ ক্ষেত্ৰত মেঘালয়ে গ্ৰহণ কৰা ভূমিকা প্ৰশংসা কৰে। তেওঁ বিশ্ব বজাৰত মেঘালয়ৰ বিভিন্ন প্ৰকাৰৰ আদাৰ বৰ্ধিত চাহিদাৰ বিষয়তো উল্লেখ কৰে। তেওঁ কয়, যে এই প্ৰসংস্কৰণ কেন্দ্ৰ স্থাপনে কৃষকৰ মালিকীস্বত্ব থকা উদ্যোগসমূহক শক্তিশালী কৰাৰ লগতে উপযুক্ত বজাৰ সৃষ্টি আৰু গ্ৰাম্য জীৱন ধাৰণৰ মান উন্নত কৰি এই প্ৰসংস্কৰণ গোটে উত্তৰ পূৰ্বাঞ্চলৰ জৈৱিক কৃষি খণ্ডত এটা উল্লেখযোগ্য ভূমিকা পালন কৰিব।

০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত ভাৰতীয় সময় অনুসৰি আজি পুৱা ৬ বজাত ফিলাডেলফিয়াত অনুষ্ঠিত এখন খেলত ব্ৰাজিল হেইটীৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনৰ ৪৮ মিনিটলৈকে ব্ৰাজিলে  ৩-০ গ'লৰ ব্যৱধানত আগবাঢ়ি আছে।

ইয়াৰ পূৰ্বে আজি পুৱতি নিশা চাৰে ৩ বজাত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত মৰক্কোৱে স্কটলেণ্ডক ১-০ গ'লত পৰাস্ত কৰে।  ইপিনে কালি ছিয়াতল ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-ডিৰ এখন খেলত আমেৰিকাই যুক্তৰাষ্ট্ৰই অষ্ট্ৰেলিয়াক ২-০ গ'লত পৰাস্ত কৰি নকআউট পৰ্যায়ত প্ৰৱেশ কৰে। আমেৰিকাই দুখন খেলৰ দুয়োখনতে জয়লাভ কৰি মেক্সিকোৰ পাছতে নকআউট পৰ্যায়ত প্ৰৱেশ কৰা দ্বিতীয়টো দল হিচাপে বিবেচিত হৈছে। উল্লেখযোগ্য যে আমেৰিকাই প্ৰথমবাৰৰ বাবে এখন খেল বাকী থকা অৱস্থাত গ্ৰুপ পৰ্যায়ৰ পৰা এই যোগ্যতা অৰ্জন কৰিছে।

০০০০০

সমাপ্ত